**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-MAY-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ। ৰাজ্যৰ বিকাশ আৰু উন্নয়নৰ ৰূপৰেখা সন্দৰ্ভত আলোচনা।
২। যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ কাৰ্যসূচী এদিনলৈ বৃদ্ধি।
৩। বায়ু সেনা বাহিনীৰ ইম্ফলত আবদ্ধ অসমৰ ১৩২ গৰাকী এন চি চি কেডেটক উদ্ধাৰ।
৪। অসমত উপলব্ধ সহজে দাহ্য কয়লাক ভৱিষ্যতৰ বিকল্প ইন্ধন হিচাপে ব্যৱহাৰৰ সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰৰ।
*আৰু*
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত লক্ষ্মৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে পাঞ্জাব কিংছৰ সাত উইকেটত জয়লাভ।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ কৰি ৰাজ্যৰ বিকাশ আৰু উন্নয়নৰ ৰূপৰেখা সন্দৰ্ভত বিতংকৈ আলোচনা কৰে। বিত্ত মন্ত্ৰীগৰাকীৰ চৰকাৰী বাসগৃহত অনুষ্ঠিত এই বৈঠকত মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিগত পাঁচ বছৰত অসমলৈ আগবঢ়োৱা নিৰৱচ্ছিন্ন সহযোগিতাৰ বাবে শ্ৰীমতী সীতাৰমণক ধন্যবাদ জ্ঞাপন কৰে। চৰকাৰী বিবৃতিত প্ৰকাশ পোৱা মতে আলোচনা কালত ৰাজ্যৰ অৰ্থনৈতিক বিকাশ, আন্তঃগাঁথনি, সম্প্ৰসাৰণ আৰু বিনিয়োগ সম্পৰ্কীয় বিভিন্ন দিশৰ বিষয়ে ড০ শৰ্মাই বিত্তমন্ত্ৰীগৰাকীক অগৰত কৰে। তেওঁ কয়, যে অসমৰ অথনীতি শক্তিশালী কৰাৰ বাবে তথা যোগাযোগ ব্যৱস্থা উন্নতি সাধনৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ আন্তঃগাঁথনি প্ৰকল্প, ঔদ্যোগীক বিনিয়োগ আৰু কল্যাণমূলক আঁচনি ৰূপায়ণ কৰি আহিছে। বৈঠকত ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটা আৰু মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব ড০ কে কে দ্বিবেদি উপস্থিত থাকে। ড০ শৰ্মাই আজি পুৱা দিল্লীত নিৰ্মিয়মান অসম ভৱনৰ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰিব। তাৰ পাছত দিল্লীৰ আছাম হাউছৰ পৰা ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

০০০০০০

যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ কাৰ্যসূচী এদিনলৈ বৃদ্ধি কৰা হৈছে। পূৰ্বৰ নিৰ্ধাৰিত সূচী অনুসৰি বিধানসভাৰ অধিৱেশন ২১ৰ পৰা ২৬ মে'লৈ অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও এতিয়া ২৭ মে'ত অধিৱেশনৰ অন্ত পৰিব। বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ অধ্যক্ষতাত অনুষ্ঠিত কাৰ্য উপদেষ্টা সমিতিৰ বৈঠকত শাসক-বিৰোধী উভয় পক্ষৰ বিধায়কৰ উপস্থিতিত সদনৰ কামকাজ এদিনলৈ বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সদনত কাইলৈ ৰাজ্যপালৰ ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা হ'ব আৰু মুখ্যমন্ত্ৰীয়ে ইয়াৰ উত্তৰ দিব। চৰকাৰে ২৬ মে'ত উমৈহতীয়া দেৱানীবিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰিব আৰু বিধেয়কখন সন্দৰ্ভত আলোচনা চলিব।

০০০০০০

বায়ু সেনা বাহিনীয়ে মণিপুৰৰ অশান্ত পৰিস্থিতিৰ বাবে ইম্ফলত আবদ্ধ হৈ থকা অসমৰ ১৩২ গৰাকী এন চি চি কেডেটক কালি উদ্ধাৰ কৰে। বায়ু সেনা বাহিনীৰ এ এন থাৰ্টি টু শ্ৰেণীৰ দুখন বিমানেৰে এই কেডেটসকলক অসমলৈ অনা হয়। ইয়াৰে ৫৪ গৰাকী যোৰহাট বিমান ঘাটিলৈ আৰু বাকীসকলক গুৱাহাটীলৈ অনা হয়। এই

কেডেটসকলে ইম্ফলত ১১ৰ পৰা ২০ মে'লৈ অনুষ্ঠিত এন ই আৰ ফ্লাইং কেম্পত অংশগ্ৰহণ কৰিছিল আৰু ২০ মে'ত ইম্ফলত সৃষ্টি হোৱা অশান্ত পৰিস্থিতিৰ বাবে পদপথসমূহ বন্ধ হৈ পৰাত অসমলৈ আহিব নোৱাৰি ইম্ফলতে আবদ্ধ হৈ পৰে। কেডেট আৰু অভিভাৱকসকলে কেডেটসকলৰ সুৰক্ষাৰ প্ৰতি সঁহাৰি আৰু দায়বদ্ধতাৰ বাবে প্ৰতিৰক্ষামন্ত্ৰী, প্ৰতিৰক্ষা মন্ত্ৰালয় আৰু বায়ুসেনাক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

০০০০০০

দেশত উদ্ভৱ হোৱা ইন্ধন, সাৰ আৰু ঔদ্যোগীক কেঁচা মালৰ যোগানৰ সংকটৰ মাজতে কেন্দ্ৰীয় চৰকাৰে অসমত উপলব্ধ সহজে দাহ্য কয়লাক ভৱিষ্যতৰ বিকল্প ইন্ধন হিচাপে ব্যৱহাৰ কৰাৰ লক্ষ্যৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত কয়লা আৰু লিগনাইট গেছীয়কৰণ প্ৰকল্পসমূহৰ বাবে ৩৭ হাজাৰ ৫০০ কোটি টকাৰ বৃহৎ আঁচনিত অনুমোদন জনোৱা হৈছে। এই আঁচনিৰ জৰিয়তে দেশত উপলব্ধ কয়লা সম্পদক গেছ, সাৰ আৰু বিভিন্ন ঔদ্যোগীক ৰাসায়নিক পদাৰ্থলৈ ৰূপান্তৰিত কৰি বিদেশী আমদানীৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে মন্ত্ৰীসভাৰ সিদ্ধান্ত সদৰি কৰি কয়, যে বৰ্তমান বিশ্বজুৰি চলি থকা ৰাজনৈতিক অস্থিৰতা আৰু পশ্চিম এছিয়াৰ সংঘাটৰ পৰিপ্ৰেক্ষিতত দেশ আত্মনিৰ্ভৰ হোৱাটো অত্যন্ত প্ৰয়োজনীয়। বিশেষকৈ ইৰানক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সংকটৰ ফলত বিশ্বৰ বজাৰত তেল, গেছ আৰু সাৰৰ যোগান ব্যাহত হোৱালৈ চাই কেন্দ্ৰীয় চৰকাৰে গেছীয়কৰণৰ বৃহৎ পদক্ষেপ লৈছে। এই নতুন আঁচনি অনুসৰি কয়লাক গেছলৈ ৰূপান্তৰিত কৰাৰ উদ্যোগ স্থাপনৰ ক্ষেত্ৰত চৰকাৰে প্ৰকল্পৰ যন্ত্ৰপাতি আৰু প্ৰকল্প স্থাপনৰ ব্যয়ৰ ২০ শতাংশ পৰ্যন্ত ৰাজ সাহায্য আগবঢ়াব। প্ৰতিটো প্ৰকল্পৰ বাবে সৰ্বাধিক পাঁচ হাজাৰ কোটি টকা পৰ্যন্ত চৰকাৰী সাহায্য প্ৰদান কৰা হ'ব। চৰকাৰে ২০৩০ চনৰ ভিতৰত বছৰি ১০ কোটি টন কয়লা গেছীয়কৰণৰ আওতালৈ অনাৰ লক্ষ্য স্থিৰ কৰিছে। ইয়াৰ জৰিয়তে বছৰি প্ৰায় সাত কোটি ৫০ লাখ টন কয়লাৰ পৰা বিকল্প ইন্ধন, ইউৰিয়া, এম'নিয়া, মিথানল, চিনগেছ আদি উৎপাদন কৰিব পৰা যাব বুলি আশা প্ৰকাশ কৰা হৈছে। বিশেষজ্ঞসকলৰ মতে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত উপলব্ধ কয়লা এই ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ কিয়নো এই কয়লাৰ জ্বলন ক্ষমতা অধিক আৰু গেছীয়কৰণৰ বাবেও উপযোগী।

০০০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান— আই আই টি গুৱাহাটীত আজি স্পৰ্টছ অথ'ৰিটী অৱ ইণ্ডিয়াৰ উদ্যোগত **ছানডেছ অৱ চাইকেল** শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়। ২০৩০ বৰ্ষত দেশত হ'বলগীয়া কমনৱেল্থ গেমছ লগত সংগতি ৰাখি এই সজাগতামূলক চাইকেল ৰেলীটো উলিওৱা হয়। কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া পৰিক্ৰমা বিভাগৰ ৰাজ্যমন্ত্ৰী ৰাক্ছা নিখিল খাড়ছেই এই চাইকেল ৰেলীৰ শুভাৰম্ভ কৰি এইদৰে কয়—

**বাইট (ৰাক্ছা নিখিল খাড়ছে)**

উল্লেখযোগ্য যে আজিৰ এই কাৰ্যসূচীত ৩৫০ গৰাকী চাইক্লিষ্টে অংশগ্ৰহণ কৰে আৰু এই ৰেলী আই আই টি গুৱাহাটীৰ পৰা উলিওৱা হয়।

০০০০০০

মটক ৰাজ্যৰ প্ৰতিষ্ঠাতা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ স্মৃতি দিৱস উপলক্ষে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্ৰদ্ধা নিবেদন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই মটক জনগোষ্ঠীৰ অন্যতম শ্ৰেষ্ঠ ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ স্বদেশ প্ৰেম, অসাধাৰণ বীৰত্ব আৰু দূৰদৰ্শী নেতৃত্বৰ আদৰ্শৰে তৰুণ প্ৰজন্ম আগবাঢ়ি যাব বুলি আশা প্ৰকাশ কৰে।

অসমৰ ভূমিপুত্ৰসকলৰ মাজৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠী মটকসকলৰ শ্ৰেষ্ঠ ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ সোঁৱৰণত ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তিনিচুকীয়া জিলা প্ৰশাসনে ২২৪ সংখ্যক স্বৰ্গদেউ সৰ্বানন্দ সিংহ দিৱসৰ আয়োজন কৰিছে। জিলাখনৰ পানীতোলা বালিজান যুৱসংঘৰ খেলপথাৰত হ'বলগীয়া এই অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল মুখ্য অতিথি হিচাপে

উপস্থিত থাকিব। এই একেটা অনুষ্ঠানতে কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰশিল্প বিভাগৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থকাৰ কথা। অনুষ্ঠানত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাকে ধৰি ভালেসংখ্যক গন্য-মান্যলোক উপস্থিত থাকিব। উল্লেখযোগ্য যে জিলা প্ৰশাসনে সদৌ অসম মটক সন্মিলন, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনকে কেইবাটাও সংগঠনৰ সহযোগত এই দিৱসৰ আয়োজন কৰিছে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ কাইলৈ পৰৱৰ্তী শুনানি গ্ৰহণ কৰিব। ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত অনুষ্ঠিত শুনানিত শুকুৰবাবে জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। কাইলৈ হ'বলগীয়া শুনানিত অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়া আৰু জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিশেষ লোক অধিবক্তা জীয়াউল কামাৰে অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ বিপক্ষে যুক্তি দৰ্শাব।

০০০০০০

ভাৰতীয় ষ্টেট বেংকৰ কৰ্মচাৰীসকলে কাইলৈ আৰু পৰহিলৈ দুদিনৰ বাবে কৰ্মবীৰতিৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰিছে। ভাৰতীয় ষ্টেট বেংকৰ কৰ্মচাৰীসন্থাৰ উত্তৰ-পূব মণ্ডলৰ সাধাৰণ সম্পাদক শ্যামন্ত কোঁৱৰে এই কথা প্ৰকাশ কৰিছে। সন্থাটোৰ প্ৰেছ বিজ্ঞাপি যোগে প্ৰকাশ কৰা মতে বেংক কৰ্তৃপক্ষৰ সৈতে চলি থকা দ্বিপাক্ষিক আলোচনাত লাভ কৰা ইতিবাচক সঁহাৰিৰ বাবে কমবীৰতি স্থগিত ৰখা হৈছে।

০০০০০০

বৰপেটা জিলা আৰক্ষীয়ে চাইবাৰ অপৰাধত জড়িতৰ অভিযোগত কালি দুজন লোকক গ্ৰেপ্তাৰ কৰে। জিলাখনৰ এগৰাকী মহিলা শেহতীয়াকৈ চাইবাৰ অপৰাধৰ বলি হোৱাত আৰক্ষীৰ ওচৰ চপাত আৰক্ষীয়ে তৎপৰতাৰে এই অপৰাধীকেইজনক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হয়। এই বিষয়ে সবিশেষ কৈছে আমাৰ বৰপেটা জিলাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই—

**ভইচকাষ্ট (অৰূপজ্যোতি মহন্ত)**

০০০০০০

লখিমপুৰৰ ৰূপামণি গড়ে বিশ্বৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্ট আৰোহণ কৰি এই শৃংগ আৰোহণ কৰা প্ৰথম অসমীয়া মহিলা হিচাপে ইতিহাস ৰচনা কৰিছে। এভাৰেষ্ট জয়ৰ এই অভিযানটোৰ উদ্যোক্তাসকলে জনোৱা মতে অসমৰ ভনিতা টিমুংপিৰ নেতৃত্বত যোৱা ভাৰত তিববতীয় সীমান্ত আৰক্ষী বাহিনী আই টি বি পিৰ দলটোৱে বৃহস্পতিবাৰৰ পুৱা ৮ বজাৰ পৰা এভাৰেষ্ট শিখৰলৈ অভিযান আৰম্ভ কৰিছিল। দলটোত অনুপ কুমাৰ, পদ্ম টুণ্ডুত, কপিল দেৱ, ষ্টেনজিন কৰল আদি কেইবাজনো ভাৰতীয় পৰ্বতাৰোহী সদস্য আছিল। ৰূপামণি গড়ৰ এই সফলতাত তেওঁৰ গৃহ জিলাত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এভাৰেষ্ট শৃংগত আৰোহণ কৰা প্ৰথমগৰাকী অসমীয়া মহিলা পৰ্বতাৰোহী হোৱাৰ কৃতিত্ব অৰ্জন কৰা ৰূপামণি গড়লৈ আৰু দলটোক নেতৃত্বত দিয়া ভনিতা টিমুংপিলৈ অভিনন্দন জ্ঞাপন কৰিছে। দুয়োগৰাকীৰ এই সাফল্যই অসমৰ নতুন প্ৰজন্মৰ বাবে প্ৰেৰণা হৈ ৰ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰিছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও এই সাফল্যৰ বাবে ৰূপামণি গড় আৰু ভনিতা টিমুংপিলৈ অভিনন্দন জনাইছে। শ্ৰী সোণোৱালে কালি সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে এই অভিযানৰ জৰিয়তে বহুতৰ বাবে কল্পনা স্বৰূপ বিশ্বৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্টত অসমৰ জীয়ৰীৰ দৃঢ় সংকল্প আৰু সাহস খোদিত হ'ল। দুয়োগৰাকী সাহসী নাৰীয়ে দৃঢ় মনোবল, অধ্যাৱসায় আৰু আত্মবিশ্বাস থাকিলে যে কোনো শিখৰে কঠিন নহয়, সেয়া প্ৰমাণিত কৰা বুলি শ্ৰী সোণোৱালে মন্তব্য কৰে।

০০০০০০

অসমৰ ৰূপামণি গড়ৰ এভাৰেষ্ট শৃংগ আৰোহণ, কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বৈঠক, জৈৱ ইন্ধনৰ দাম বৃদ্ধিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ খবৰে আজি গুৱাহাটীৰ পৰাপ্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

ইয়াৰে - এভাৰেষ্ট আৰোহণ সম্পৰ্কীয় বাতৰিটো - "দৈনিক জনমভূমি" কাকতে *লখিমপুৰৰ লীলাবাৰীৰ ৰূপামণি গড়ে ৰচিলে দুৰ্লভ ইতিহাস, এভাৰেষ্টৰ শিখৰত অসম কন্যা*- "অসমীয়া প্ৰতিদিন" কাকতে *জাতিক গৌৰৱান্বিত কৰি ইতিহাসৰ স্বৰ্ণিল পৃষ্ঠাত নাম লিপিবদ্ধ কৰিলে লখিমপুৰৰ জীয়ৰীয়ে, এভাৰেষ্টৰ শিখৰত অসনকন্যা ৰূপামণি* - আৰু - "দি আছাম ট্ৰিবিউন" কাকতে *Rupamoni Gorh first woman from Assam to scale Mount everest* শিৰোনামেৰে প্ৰকাশ কৰিছে ।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কালি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ সৈতে আলোচনাত মিলিত হোৱাৰ খবৰটোও আজি কেইবাখনো কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। "নিয়মীয়া বাৰ্তা" কাককত বাতৰিটোৰ শীৰ্ষক *দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰীক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ, ৰাজ্যৰ উন্নয়ন-বিকাশৰ ৰূপৰেখাকলৈ সীতাৰমণেৰে আলোচনা ড° শৰ্মাৰ* । একেটা বাতৰি "দা ছেণ্টিনেল" কাকতে *CM and Sitharaman discuss Assam's growth roadmap* শিৰোনামেৰে প্ৰকাশ কৰিছে ।

ইন্ধনৰ দামবৃদ্ধি, ৰন্ধন গেছৰ নাটনিৰ প্ৰসংগটো কাকতসমূহে আজি যথেষ্ট গুৰুত্ব দিছে। "আমাৰ অসম" কাকতে ইয়াকলৈ *১০ দিনত তিনিবাৰকৈ ইন্ধনৰ দাম বৃদ্ধি, পুনৰ বৃদ্ধিৰো আশংকা* আৰু "দৈনিক অসম" কাকতে *বুকিঙৰ ১৫-২০দিনলৈ গ্ৰাহকে পোৱানাই চিলিণ্ডাৰ - ৰন্ধন গেছ বিচাৰি চৌদিশে হাহাকাৰ* শিৰোনামেৰে একোটাকৈ বাতৰি প্ৰকাশ কৰিছে। অৱশ্যে ইয়াৰ মাজতো আশাব্যঞ্জক দুটাকৈ বাতৰি "অসমীয়া খবৰ" কাকতে - ক্ৰমে - *দেশত এন্ধাৰৰ আশংকা, ভৰসা অসম* আৰু *দেশত ইন্ধনৰ গভীৰ সংকটৰ ক্ষণত অসমৰ কয়লা-গেছ উৎপাদনৰ বৃহৎ সিদ্ধান্ত কেন্দ্ৰৰ* শীৰ্ষকেৰে আজি প্ৰথম পৃষ্ঠাত স্থান দিছে ।

ইয়াৰ উপৰি ৰোজগাৰ মেলাত প্ৰধানমন্ত্ৰীৰ অংশগ্ৰহণেৰে ৫১হাজাৰ যুৱক-যুৱতীক নিযুক্তি, ৰাজ্যৰ বিভিন্ন স্থানত সংঘটিত কেইবাটাও দুৰ্ঘটনা, ঈদত গৰু কোৰবানি নিদিবলৈ মুখ্যমন্ত্ৰীয়ে জনোৱা আহ্বানলৈ বিভিন্ন ইছলামধৰ্মী দল সংগঠনৰ সঁহাৰি আদি বাতৰিসমূহেও আজিৰ প্ৰথম পৃষ্ঠাৰ অন্যান্য বাতৰিত স্থান লাভ কৰিছে।

এতিয়া আহক আমি বাতৰিৰ মাজলৈ উভতি যাওঁ।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক সাত উইকেটত পৰাস্ত কৰে। পাঞ্জাব কিংছে ১৯৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰত তিনিটা উইকেট হেৰুৱাই ২০০ ৰান কৰে। দলৰ হৈ অধিনায়ক শ্ৰেয়াছ আয়াৰে ১০১ ৰান কৰি আউট নোহোৱাকৈ থাকে। প্ৰভছিমৰন সিঙে ৬৯ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ছটা উইকেটৰ বিনিময়ত ১৯৬ ৰান সংগ্ৰহ কৰে। দলৰ হৈ যোছ ইংলিছে সৰ্বাধিক ৭২ ৰান কৰে। শ্ৰেয়াছ আয়াৰক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। মুম্বাইৰ বাংখেড়ে ষ্টেডিয়ামত বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কলকাতাৰ ইডেন গাৰ্ডেনছত সন্ধিয়া চাৰে সাত বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ডেলহি কেপিটেলছ কলকাতা নাইটৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

oooooo

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ  সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, ছিকিম আৰু পশ্চিমবঙ্গৰ হিমালয়ৰ পাদদেশৰ অঞ্চলবিশেষে আজি ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে লগতে দিল্লী, হাৰিয়ানা, চণ্ডিগড়, পূব উত্তৰ প্ৰদেশ, পূব মধ্য প্ৰদেশ আৰু বিদৰ্ভ অঞ্চলত আজি গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে, উত্তৰ-পশ্চিম, মধ্য আৰু পূব ভাৰতৰ ঠাইবিশেষে পৰৱৰ্তী ৬-৭ দিনলৈ গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে।ooooo

oooooo

**সমাপ্ত**